**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**-------------------**

**:::::  ::::  :::  :::  :::**

ৰাজ্যত বৰ্তমান ১৪ খন চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা প্ৰদানৰ লগতে ছাত্ৰ-ছাত্ৰীক নিয়মীয়াকৈ পাঠদান কৰি থকা হৈছে। বিধানসভাত আজি বিধায়ক আব্দুল কালাম ৰছিদ আলমৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে এই কথা প্ৰকাশ কৰি কয়, যে নতুনকৈ আৰু ১৩ খন চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়, চৰাইদেউ চিকিৎসা মহাবিদ্যালয় আৰু তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে হাইলাকান্দি আৰু হোজাই চিকিৎসা মহাবিদ্যালয়ৰ বাবে প্ৰয়োজনীয় ভূমি চিনাক্তকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। আশা কৰ্মীৰ মাননী সন্দৰ্ভত সোধা আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰী সিংহলে কয়, যে ৰাজ্যত বৰ্তমান ৩৩ হাজাৰ ৪২১ গৰাকী আশা কৰ্মীয়ে মাহিলী পাৰিতোষিক লাভ কৰি আছে।

ইপিনে মিছন বসুন্ধৰাৰ জৰিয়তে ভূমিপট্টা প্ৰদান সন্দৰ্ভত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয়, যে এই আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে ৰাজ্যৰ তিনি লাখ তিনি হাজাৰ ৯২৫ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হৈছে। তেওঁ কয়, যে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ পৰা লাভ কৰা তথ্য অনুসৰি গুৱাহাটী মহানগৰীত এহেজাৰ ১২ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰ হৈছে। তেওঁ লগতে কয়, গুৱাহাটী মহানগৰীৰ পাহাৰৰ বনভূমিত বহু বছৰ ধৰি বসবাস কৰা জনজাতীয় পৰিয়ালক বন অধিকাৰ আইন ২০০৬ অনুযায়ী ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে ৯২ টা জনজাতি পৰিয়ালে ভূমি পট্টা লাভ কৰিছে।

ooooo

চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক আজি বিধানসভাত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয়, যে মাটিৰ পট্টা লাভ কৰাৰ পাছত চাহ বাগিচাৰ মাটি ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব। ২০ বছৰৰ পাছত মাটি বিক্ৰী কৰিলেও সেয়া বাগিচাৰ আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

***(বাইট ঃ ড০ শৰ্মা)***

ooooo

হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই উপলক্ষে পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। চলিত মাহৰ পৰা অহা চাৰি মাহলৈ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এই জলপানি লাভ কৰিব। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধিৰ উপৰি তেওঁলোকৰ অধ্যয়নৰ সামগ্ৰী তথা পুষ্টিকৰ খাদ্য ক্ৰয়ত সহায়ৰ বাবে **প্ৰেৰণা** শীৰ্ষক জলপানিৰ

ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চাৰি লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যত সম্প্ৰতি শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত শিক্ষা গ্ৰহণৰ বাবে এটা পৰিকাঠামো নিৰ্মাণ কৰা হৈছে।

০০০০০

নগাঁও জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা দখলীকৃত মাটিত কাইলৈ উচ্ছেদ অভিযান আৰম্ভ কৰিব। কাইলৈ পুৱা ৭ বজাৰ পৰা বনাঞ্চলখনত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা প্ৰশাসনে সদৰি কৰিছে। ইতিমধ্যে উচ্ছেদ অভিযানৰ বাবে অস্থায়ী আৰক্ষী শিবিৰ স্থাপন কৰা হৈছে। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বাস কৰি আছে। অঞ্চলটোত উচ্ছেদৰ বাবে ইতিপূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হয়। অভিযানৰ প্ৰাকমুহূৰ্তত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উচ্ছেদ অভিযান চলাবলগীয়া ঠাইত উপস্থিত হৈ দখলকাৰীসকলক নিজৰ ভূমিলৈ ঘূৰি যাবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমিৰ পৰা আঁতৰি গৈছে।

বাইট

০০০০০

শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈ অসম্পূৰ্ণ হৈ থকা চাৰিলেনযুক্ত পথৰ নিৰ্মাণ কাৰ্য অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ সাধাৰণ প্ৰবন্ধক দেৱেন্দ্ৰ কুমাৰে প্ৰকাশ কৰিছে। জিলাখনৰ জাপিসজিয়াত এখন পথ সজাগতা সভাত অংশ লৈ প্ৰবন্ধকগৰাকীয়ে এই ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। পথ সজাগতা সভাৰ অংশ হিচাপে ৰাষ্ট্ৰীয় ঘাই পথেৰে অহা মটৰচাইকেল চালকক বিনামূলীয়াকৈ হেলমেট বিতৰণ কৰা হয়।

০০০০০

শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰত অসমৰ গদ্য সাহিত্যৰ জনক কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ ৪৭৬ সংখ্যক জয়ন্তী দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছে। কালি বন্তি প্ৰজ্বলনেৰে সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে অনুষ্ঠান আৰম্ভ কৰাৰ পাছত ৰমানন্দ দেৱগোস্বামী সংস্কৃত পাঠশালাৰ আচাৰ্য্য আৰু শিস্যসকলৰ মাজত ভট্টদেৱৰ আধ্যাত্মিক ধ্যান ধাৰণা বিষয়ত আলোচনা সত্ৰ অনুষ্ঠিত হয়। অসমীয়া নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম পুৰোধা মহাপুৰুষ দামোদৰ দেৱৰ প্ৰিয় শিষ্য কবিৰত্ন ভট্টদেৱৰ জীৱনশৈলী বিষয়ত সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে বিশদভাৱে ব্যাখ্যা কৰে।

০০০০০

সমাপ্ত